জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৫/২০২০

**শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৮৯ সংখ্যক বাৰ্ষিক অধিৱেশনত মুখ্যমন্ত্ৰীৰ অংশ গ্ৰহণ**

**শ্ৰীমন্ত শংকৰদেৱ সংঘৰ কৰ্পাচ ফাগুলৈ ৰাজ্য চৰকাৰে আগবঢ়াব ১০ কোটি টকা**

**গুৰু জনাৰ অবিৰ্ভাৱ মহোৎসৱ চৰকাৰীভাবে উদ্‌যাপন কৰাৰ বাবে ৰাজ্য চৰকাৰৰ সিদ্ধান্ত**

**গুৰুজনাৰ আদৰ্শক অনুসৰণ কৰিব নোৱাৰিলে বিশ্ব জয়ৰ কথা ভাবিব পৰা নাযায় ঃ মুখ্যমন্ত্ৰী**

**নামঘোষাৰ নেপালী ভাষাৰ সংস্কৰণ উন্মোচন কৰিলে মুখ্যমন্ত্ৰীয়ে**

**দিছপুৰ, ৬ ফেব্ৰুৱাৰী ঃ** আজি গোলাঘাট জিলাৰ কমাৰ গাওঁ দিহিঙ্গীয়া মহুৰা পথাৰৰ বিশ্ব ঐতিহ্য কাজিৰঙা সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৮৯ সংখ্যক বাৰ্ষিক অধিৱেশনত ভাষণ প্ৰদান কৰি ৰাজ্যপাল অধ্যাপক জগদীশ মুখীয়ে কয় যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে কেৱল অসম তথা ভাৰতবৰ্ষকে নহয়, সমগ্ৰ বিশ্বতে প্ৰেম, শান্তি, জ্ঞান আৰু ভক্তিৰ মাৰ্গ দৰ্শন প্ৰদান কৰিছিল। এইগৰাকী যুগদ্ৰষ্টা মহাপুৰুষে সামাজিক, সাংস্কৃতিক আৰু আধ্যাত্মিক জগতত অসম তথা পূৰ্বোত্তৰক আলোকৰ বাটেৰে আগুৱাই লৈ গৈছিল। ৰাজ্যপাল গৰাকীয়ে কয় যে মহাপুৰুষ শংকৰদেৱে সমন্বয়ৰ আদৰ্শৰে আগবঢ়াৰ বাবে আমাক আদৰ্শ দেখুৱাই গৈছে। একশৰণ নাম ধৰ্মৰ প্ৰৱৰ্তক মহাপুৰুষ শংকৰদেৱে ধাৰ্মিক সহিষ্ণুতা প্ৰদৰ্শন কৰি সমাজ নিৰ্মাণৰ ভেটি গঢ়িছিল। নৱ প্ৰজন্মই এই আদৰ্শ জীৱনত প্ৰতিফলিত কৰি ত্যাগ আৰু সমৰ্পণৰ মানসিকতাৰে আগুৱাব লাগিব বুলিও ৰাজ্যপাল গৰাকীয়ে কয়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ দৰ্শন, সাংস্কৃতিক আৰু আধ্যাত্মিক বাণী দেশ তথা বিদেশত প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত শ্ৰীমন্ত শংকৰদেৱ সংঘই গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়াই আহিছে। গুৰুজনাৰ আধ্যাত্মিক আৰু সাংস্কৃতিক দিশ সমূহ যাতে আৰু অধিক আগুৱাই নিব পাৰে তাৰ বাবে ৰাজ্য চৰকাৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ কৰ্পাচ ফাণ্ডলৈ ১০ কোটি আগবঢ়াব। এই ১০ কোটি টকাৰ বিনিময়ত প্ৰতিবছৰে লাভ কৰিবলগীয়া ৮০ লাখ টকাৰে শ্ৰীমন্ত শংকৰদেৱ সংঘই মহাপুৰুষ গৰাকীৰ সৃষ্টিৰাজিক আৰু অধিক আগুৱাই নিয়াৰ বাবে প্ৰয়াস চলাব পাৰিব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে গুৰুজনাৰ নামত প্ৰতিষ্ঠা কৰা বিশ্ববিদ্যালয়খন যাতে এখন বিশ্ব মানৰ বিশ্ববিদ্যালয় হিচাপে গঢ় দিব পৰা যায় তাৰ বাবে ৰাজ্য চৰকাৰে ৩০০ বিঘাতকৈও অধিক ভূমি আগবঢ়াব। বিশ্বৰ বিভিন্ন প্ৰান্তৰ ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়নৰ বাবে যাতে আগ্ৰহী হৈ পৰে তেনে ধৰণে এই বিশ্ববিদ্যালয়খন গঢ়ি তুলিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে মহাপুৰুষ গৰাকীৰ আবিৰ্ভাৱ মহোৎসৱ প্ৰথমবাৰৰ বাবে চৰকাৰীভাবে উদ্‌যাপন কৰিবলৈ ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে।

গুৰুজনাই অসমীয়া জাতিক সকলো দিশৰে প্ৰাণৱন্ত কৰি গৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে গুৰু জনাৰ শক্তিশালী সামাজিক সংস্কাৰ হৈছে আমাৰ জাতি সত্ত্বাৰ এক শক্তি। মুখ্যমন্ত্ৰীয়ে কয় যে গুৰুজনাৰ ব্যক্তিত্ব, কৃতিত্ব, সৃষ্টিৰাজিকে ধৰি তেখেতৰ বহুমুখী প্ৰতিভা সমূহৰ জৰিয়তে অসমীয়া জাতিয়ে একবিংশ শতিকাত শক্তিশালী পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে গুৰুজনাই দেখুৱাই যোৱা আদৰ্শক অনুসৰণ কৰিব নোৱাৰিলে আমি বিশ্ব জয়ৰ কথা ভাবিব নোৱাৰিম। গুৰুৰ গুণানুকীৰ্তন কৰাটো ভকত বৈষ্ণৱৰ দায়িত্ব আৰু কৰ্তব্য বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে গুৰুজনাক গভীৰভাবে উপলব্ধি কৰাটো সময়ৰ আহ্বান হৈ পৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰত্যাহ্বান নেওঁচি জীৱনৰ বাটত কেনেকৈ আগুৱাই যাব লাগে সেই কথা গুৰুজনাই দেখুৱাই গৈছে। গুৰুজনাৰ আশীৰ্বাদ লৈ জাতীয় চৰিত্ৰ অধিক শক্তিশালী কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে গুৰুজনাৰ বাণীৰে উদ্বুদ্ধ হৈ নতুন প্ৰজন্মই মানৱীয় চৰিত্ৰ নিৰ্মাণ কৰিব লাগিব।

মুখ্যমন্ত্ৰীয়ে কয় যে গুৰুজনাই অমৃত ৰস আৰু ভক্তিৰস প্ৰদান কৰি গৈছে। গুৰুজনাৰ আদৰ্শৰে কঠোৰ পৰিশ্ৰমৰ জৰিয়তে আদৰ্শ নাগৰিক হিচাপে নিজকে গঢ়ি তোলাৰ বাবে সংকল্প ল'ব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মহাপুৰুষ গৰাকীৰ আদৰ্শৰে অসমীয়া জাতিয়ে আগবাঢ়িলে কেতিয়াও পৰাজয় স্বীকাৰ কৰিব নালাগে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে মহাপুৰুষ গৰাকীয়ে জীৱন যুঁজত যুজিবলৈ আমাক আধ্যাত্মিক শক্তি দি গৈছে। আমি কেৱল বিভিন্ন কৰ্মপথাৰত তাক ৰূপায়ন কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে শ্ৰীমন্ত শংকৰদেৱ সংঘই এক জনজাগৰণৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছে। অসমীয়া জাতি গঠন, মূল্যবোধৰ ভেটি স্থাপন, উঠি অহা চামক ইতিবাচক চেতনাৰে আগুৱাই নিয়াৰ ক্ষেত্ৰত সংঘই পথ দেখুৱাবলৈ সক্ষম হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে উঠি অহা প্ৰজন্মই যাতে একো-একোগৰাকী সফল ব্যক্তি হিচাপে পৰিগণিত হ'ব পাৰে তাৰ বাবেও সংঘই প্ৰয়াস চলাই আহিছে। মুখ্যমন্ত্ৰীয়ে কয় যে মহাপুৰুষ গৰাকীয়ে কু-সংস্কাৰ আৰু অন্ধবিশ্বাসৰ বিৰুদ্ধেও থিয় দিছিল। সেইবাবে বৈজ্ঞানিক দৃষ্টিভংগীৰে সংস্কাৰৰ যাত্ৰাত অগ্ৰসৰ হ'ব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে গুৰুজনাই পদব্ৰজে জগন্নাথ, হৰিদ্বাৰ ভ্ৰমণ কৰি আমাক কঠোৰ পৰিশ্ৰমৰ সমৰ্থ দেখুৱাই গৈছে। এই যাত্ৰাৰ বিষয়ে গৱেষণা কৰাৰ প্ৰয়োজন আছে। গুৰুজনাৰ ব্যক্তিত্বৰ প্ৰতিটো দিশ অধ্যয়নৰ প্ৰয়োজন। আমাৰ নতুন প্ৰজন্মই গুৰুজনাৰ প্ৰতিটো দিশেই অধ্যয়ন কৰিব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। গুৰুজনাক সঠিকভাবে আৱিস্কাৰ কৰি তেখেতৰ অমৰ সৃষ্টি সমূহ আমি নতুন প্ৰজন্মৰ মাজলৈ লৈ যাব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে আচৰণ, শিষ্টাচাৰ, শালিনতাবোধ, ভক্তিভাৱৰে আমাৰ ব্যক্তিত্ব নিৰ্মাণ কৰিব লাগিব। আক্ৰোশমূলক ভাৱৰ পৰিৱৰ্তে গুৰুজনাই শান্তি আৰু সমন্বয়ৰ বাণী দিছে। ঈৰ্ষা, কপটতাৰ গুৰু বাণীত স্থান নাই। নেতিবাচক চিন্তাৰ পৰিৱৰ্তে কেৱল ইতিবাচক শক্তি প্ৰদান কৰি গৈছে। গুৰুজনাৰ আদৰ্শৰে আমি সুন্দৰ জীৱন গঢ়িব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

আজিৰ এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে নামঘোষাৰ নেপালী অনুবাদ গ্ৰন্থ এখনো উন্মোচন কৰে।

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সাহিত্য শাখা কমিটীৰ সভাপতি ড° সুৰেশ চন্দ্ৰ বৰাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত কৃষি বিভাগৰ মন্ত্ৰী অতুল বৰা, জলসম্পদ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, বিধায়কদ্বয় ভৱেন ভৰালী আৰু ৰমাকান্ত দেউৰী, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ কমলাকান্ত গগৈ, মুখ্য উপদেষ্টা ভৱেন্দ্ৰ নাথ ডেকা, সম্পাদক বাবুল বৰা, বিশিষ্ট গৱেষক বাণীভূষণ শাস্ত্ৰী প্ৰমুখ্যে ভকত বৈষ্ণৱ সকল উপস্থিত আছিল।

**পুঃডেঃ**
**৬/০২/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in